# যথা গুৰু তথা শিষ্য

মাত্ৰ যোৱা সোমবাৰে পাৰ হৈ যোৱা শিক্ষক দিৱসৰ লগত সংগতি ৰাখি মোৰ অন্তৰত গভীৰভাবে ৰেখাপাত কৰা গুৰু-শিষ্যৰ মাজৰ সম্পৰ্কৰ এটা সঁচা কাহিনীৰ ভাগ এই কাকতৰ পাঠক পাঠিকাসকলক দিবলৈ ইচ্ছা কৰিছো। মই ভাবো যে এইটো এটা সকলোকে অনুপ্ৰাণিত কৰিব পৰা কাহিনী। তলত লিখিবলৈ লোৱা ঘটনাৱলীৰ মই প্ৰত্যক্ষদৰ্শী নহও কিন্তু প্ৰতিটো কথাই সঁচা।

মাইচুৰত জয়চামৰাজেন্দ্ৰ কলেজ অৱ ইঞ্জিনিয়াৰিং নামৰ এখন কলেজ আছে। অৱশ্যে আজি প্ৰায় ডুমাহমানৰ আগতে এই কলেজখনে বিশ্ববিদ্যালয়ৰ মৰ্য্যদা লাভ কৰিছে আৰু নতুন নাম হৈছে JSS Science and Technology University। কেৱল কৰ্ণাটকতে নহয় দেশৰ ভিতৰতে এখন আগশাৰীৰ কাৰিকৰি বিদ্যাৰ কলেজ বুলি সুনাম অৰ্জন কৰিছে। দেশ বিদেশৰ বিভিন্ন ঠাইৰ পৰা ল'ৰা ছোৱালী ইয়াত পঢ়িবলৈ আহে। এই কলেজত পঢ়ি যোৱা ভালেমান বিখ্যাত ছাত্ৰ-ছাত্ৰীৰ ভিতৰত অন্যতম হৈছে প্ৰাক্তন ক্ৰিকেট খেলুৱৈ শ্ৰীনাথ আৰু উত্তৰ প্ৰদেশৰ বৰ্তমান মুখ্যমন্ত্ৰী অখিলেশ যাদৱ।

এইখন কলেজৰে চিভিল ইঞ্জিনিয়াৰিং বিভাগত শ্ৰীচান্দ নামৰ এজন অধ্যাপক আছিল। তেখেতৰ আজি প্ৰায় ডুবছৰমানৰ আগতে মৃত্যু হৈছে। তেখেত সিন্ধিভাষী মানুহ আছিল। দেশ বিভাজনৰ সময়ত সিন্ধু প্ৰদেশ পাকিস্তানৰ লগত চামিল হোৱাৰ ফলত গৃহহীন হোৱা অজস্ৰ হিন্দু সিন্ধি পৰিয়ালৰ ভিতৰত ইও এটা পৰিয়াল আছিল। মাইচুৰত পুনৰ সংস্থাপিত হোৱা বিভিন্ন সিন্ধিলোকৰ মাজৰে এইটোও এটা পৰিয়াল।

মই ইয়াত লিখিবলৈ লোৱা প্ৰায় সকলোখিনি কথা মোৰ দেওৰ এন.এছ. আনন্দ (ঘৰত মতা নাম বাবু) ৰ মুখত শুনা। অৱশ্যে দুই এটা কথা তাৰ বন্ধুবৰ্গৰ মুখতো শুনিছো। আন বহুতৰ লগতে বাবুও শ্ৰীচান্দৰ পৰমভক্ত।

শ্ৰীচান্দৰ বিশেষত্ব আছিল এয়েই যে আঁঠটা চেমেষ্টাৰত থকা সকলো বিষয়ৰে তেখেতে টিউশ্যন লৈছিল। ল'ৰাছোৱালীয়ে কিবা বুজি নাপালেই তেখেতৰ ওচৰ চাপে আৰু তেখেতেও কষ্ট হ'লেও টিউশ্যন লয়। ৮০ ৰ দশকৰ মাজভাগত ইয়াত তেনে টিউশ্যনৰ বাবে মাচুলৰ হাৰ আছিল ১৫০ টকাৰ পৰা ২০০ টকালৈকে কিন্তু শ্ৰীচান্দে এটা বিষয়ত মাত্ৰ ৫০ টকাকৈ লৈছিল। কোনোবাই দিব নোৱাৰিলে তেওঁ দাবী নকৰিছিল। কোনোবাই আৰ্থিক দূৰাৱস্থাৰ বাবে পইছা দিব

নোৱাৰিলেও তেওঁৰ ঘৰলৈ যোৱাৰ বাট সদায় খোলা আছিল। কোনোবাই চাৰিটা বিষয়ত টিউশ্যন কৰি ২০০ টকা দিলে তেখেতে ৫০ টকা ঘুৰাই দি চিনেমা চাবলৈ কৈছিল। টিউশ্যন আৰম্ভ হোৱাৰ আগতে সকলোকে একাপ চাহ খুওৱাৰ ব্যৱস্থা তেখেতে সদায় অব্যাহত ৰাখিছিল।

শ্ৰীচান্দ এজন বমভোলা, ব্যতিক্ৰমী চৰিত্ৰ আদৰ্শবাদী মানুহ আছিল। তেওঁলোকৰ ঘৰৰ ওচৰতে থকা মুছলমান মানুহ এঘৰত এজনী ছোৱালী আছিল। কিবা স্ত্ৰীৰোগ হোৱাৰ বাবে ছোৱালীজনীৰ জৰায়ু উঠাই পেলাবলগীয়া হ'ল। তেনে এজনী ছোৱালীৰ বিয়াৰ সম্ভাৱনা নথকাৰ বাবে স্বাভাৱিকতেই ঘৰৰ সকলো চিন্তান্বিত হৈছিল। লাহে লাহে ঘৰৰ মানুহবোৰে ছোৱালীজনীক বোজা বুলি ভাবিবলৈ ধৰিলে। এদিন শ্ৰীচান্দে সকলোকে আচৰিত কৰি ঘোষণা কৰিলে যে তেওঁ সেই ছোৱালীজনীক বিয়া কৰাব। শ্ৰীচান্দৰ ঘৰত ভীষণ আপত্তি – যি মুছলমানৰ বাবে তেওঁলোক গৃহহীন হ'ল সেই মুছলমানৰ ছোৱালী তেওঁ কেনেকৈ বিয়া কৰাব ? তেওঁৰ যুক্তি হ'ল কোনোবা মুছলমানে কিবা দোষ কৰিব পাৰে কিন্তু ৰুক্ছানাইতো কোনো দোষ কৰা নাই। তেওঁ যে কেতিয়াও সন্তান জন্ম দিব নোৱাৰে সেইকথা আঙুলিয়াই দিয়াত শ্ৰীচান্দে "সেইটোনো কি বৰ ডাঙৰ কথাটো ? ল'ৰা বা ছোৱালী এজনী তুলি ল'লেই হ'ল" বুলি মোখনি মাৰি থ'লে। কথা মতেই কাম। তেওঁলোকে সময়ত ছোৱালী এজনী তুলি ল'লে।

বমভোলা মানুহ বাবে শ্ৰীচান্দে ঘৰ দুৱাৰ সজোৱাৰ কথা চিন্তা কৰা নাছিল। পত্নীৰ খেচখেচনিত মাটি এটুকুৰা কিনিলে যদিও বহুত দিনলৈকে ঘৰ সজোৱাৰ কাম আৰম্ভ কৰা নাছিল। ইতিমধ্যে তেওঁৰ কেইবাজনো প্ৰাক্তন ছাত্ৰই ফাৰ্ম খুলি স্বাধীনভাবে গৃহ নিৰ্মাণৰ কাম কৰিছিল। তাৰ ভিতৰত ওপৰত উল্লেখ কৰা মোৰ দেওৰো অন্যতম। তেওঁলোকে নিয়মিয়াকৈ মেইষ্ট্ৰ' (maestro) ৰ লগত যোগাযোগ ৰাখিছিল। ইয়াৰ মানুহে শিক্ষকক সম্বোধন কৰোতে বা শিক্ষকৰ কথা উল্লেখ কৰোতে মেইষ্ট্ৰ' বুলিয়েই কয়। প্ৰাক্তন ছাত্ৰসকলৰ পৰামৰ্শত তেখেত ঘৰ সজাবলৈ মান্তি হ'ল। ঠিক হ'ল যে ঘৰ সজোৱাৰ কাম তদাৰক কৰিব মল্লিকাৰ্জুন নামৰ ল'ৰাজনে। কিন্তু মল্লিকাৰ্জুনৰ সৰ্ত হ'ল যে তেওঁ তাৰ বাবদ পইছা নলয়। ঘৰৰ অৱস্থা বেয়া হোৱাৰ বাবে তেওঁ টিউশ্যন ফিজ দিব পৰা নাছিল কিন্তু এতিয়া এইটো ৰূপত গুৰু দক্ষিণা আদায় কৰিব। ইয়াত থকা সকলো প্ৰাক্তন ছাত্ৰ একেলগ হৈ ঠিক কৰিলে যে তেওঁলোক সকলোৱে লগ হৈ মেইষ্ট্ৰ'ৰ হাতৰ পৰা বেছি খৰছ নোহোৱাকৈ এটা ধুনীয়া ঘৰ সজাই দিব। কথা মতেই কাম – কোনোবাই হয়তো এক ট্ৰাক ইটা, কোনোবাই এক ট্ৰাক বালি, কোনোবাই লোহা, কোনোবাই চিমেন্ট ৰাতি তেওঁৰ মাটিত পেলাই থৈ যায়। এই সকলোবোৰ শ্ৰীচান্দৰ সম্পূৰ্ণ অজ্ঞাত আছিল কাৰণ তেওঁ ঘৰ কিমান আগবাঢ়িছে চাবলৈকো যোৱা নাছিল। এদিন পত্নীয়ে জোৰ কৰাত দুয়ো গৈ দেখিলে যে ঘৰ আধাআধি হৈ আছে। আচৰিত হৈ মল্লিকাৰ্জুনক মতাই আনি সুধিলে, "তইতো মোৰ পৰা বেছি পইছা লোৱা নাছিলি। ইমানবোৰ বস্তু কেনেকৈ কিনিলি ?" তেওঁ আচৰিত হোৱাৰ

ভাও ধৰি ক'লে, "কিয়, আপুনি নাজানে নেকি ? অমুকে ইটা, অমুকে বালি, অমুকে চিমেন্ট দি থৈ গৈছে। আপুনি দিবলৈ কোৱা বুলিহে ভাবিছিলো।" তেখেতৰ খং উঠিছিল আৰু সেই ল'ৰাবোৰক তেখেতৰ ওচৰলৈ পঠাই দিবলৈ ক'লে। তেতিয়া মবাইল ফোন নথকাৰ বাবে সিহঁতক তেখেতে সহজে যোগাযোগ কৰিব পৰা নাছিল। সিহঁতবোৰেও সেই কথা শুনাৰ পিছত কিছুদিন সেইমুৱা হোৱা নাছিল।

সি যি কি নহওক, প্ৰাক্তন ছাত্ৰসকলৰ যৌথ প্ৰচেষ্টাত শ্ৰীচান্দৰ এটা সুন্দৰ ঘৰ হ'ল। তেওঁলোকে নিজৰ ঘৰলৈ গৈ সুখ শান্তিৰে থাকিবলৈ ধৰিলে।

কেইবছৰমানৰ পিছত শ্ৰীচান্দৰ হঠাতে হাৰ্টৰ অসুখ হোৱাত হস্পিটেলত ভৰ্তি কৰা হ'ল। ডাক্তৰে 'অপেন হাৰ্ট চাৰ্জাৰি' কৰিব লাগিব বুলি ক'লে। তাৰ বাবে তিনি লাখ টকাৰ প্ৰয়োজন হ'ল। সেইটো আছিল ১৯৯৩ চনৰ কথা। সেই কথা শুনি পত্নী কিংকৰ্তব্যবিমুহ হ'ল কাৰণ সিমান টকা যোগাৰ কৰাটো তেওঁৰ বাবে সম্ভৱ নাছিল। ইতিমধ্যে তেওঁৰ প্ৰাক্তন ছাত্ৰৰ দল হস্পিটেলত গোট খাইছিল। তেওঁলোকে গুৰুপত্নীক আশ্বাস দিলে যে সকলোৱে মিলি কিবা এটা কৰিব।

এই দলটোৱে ঠিক কৰিলে যে সেই কলেজৰ পৰা পাছ কৰা সকলো চিভিল ইঞ্জিনিয়াৰৰ লগত যোগাযোগ কৰি টকা তুলিব। কিন্তু আজি ২৩ বছৰৰ আগতে সেই কথা ইমান সহজ নাছিল কাৰণ না আছিল ই-মেইল, না আছিল মোবাইল ফোন। তেওঁলোকে আলোচনা কৰি ঠিক কৰিলে যে খবৰ কাগজত গোহাৰী জনাব। তেতিয়া অন্ততঃ কৰ্ণাটকত থকাখিনিয়ে খবৰ পাব। কোনখন কাগজত কেনেদৰে দিলে ভাল হব ইত্যাদি কথা আলোচনা কৰিবলৈ সকলোবোৰ এদিন সন্ধ্যাসময়ত স্থানীয় হোটেলত গোট খালে। আলোচনা চলি থাকোতে হঠাতে তেওঁলোকৰ দলৰ বাহিৰৰ কোনোবা এজন সোমাই তেওঁলোকৰ ফালে আগবাঢ়ি অহা দেখি ভালকৈ চাই ধৰিব পাৰিলে তেওঁলোকৰ লগত ভালেদিন কোনো যোগাযোগ নথকা মহেন্দ্ৰ। মাণ্ডিয়াত থকা মহেন্দ্ৰই সেই কথা কেনেকৈ গম পালে বুলি তেওঁলোক আচৰিত হ'ল। কোনো পাতনি নেমেলাকৈ মহেন্দ্ৰই যথেষ্ট উষ্মাৰে সুধিলে, "কি হ'ল, তহঁতে বোলে খবৰ কাগজত দিব খুজিছ ?" এইটো এটা বৰ ভাল আইডিয়া বুলি এজনে বৰ উৎসাহেৰে ক'লে, "অ হয় – তই কেনেকৈ গম পালি ?" লগে লগে মহেন্দ্ৰই চিৎকাৰ কৰি উঠিলে "কথা কবলৈ আহিছু। তহঁতৰ লাজ লগা নাইনে খবৰ কাগজত দি মেইষ্ট্ৰ'ৰ অপমান কৰিবলৈ। মেইষ্ট্ৰ'ই সদায় আমাক নিজৰ সন্তানৰ দৰে জ্ঞান কৰিছিলে আৰু তহঁতে তেখেতৰ অপমান কৰিব খুজিছ ? মোক এটা কথা ক, তহঁতৰ নিজৰ মা দেউতাৰ অসুখ হ'লে এনেকৈ খবৰ কাগজত দিবি নেকি ?" সেইখিনি কৈ মহেন্দ্ৰই বেগৰ পৰা পঞ্চাছ হাজাৰ টকা উলিয়াই টেবুলত থৈ ক'লে, "এইখিনি ৰাখি থ। তহঁতে মেইষ্ট্ৰ'ৰ অসন্মান নোহোৱাকৈ পইছা

তুলিব নোৱাৰ যদি মোক কবি। কিন্তু সাৱধান, মেইষ্ট্ৰ'ৰ অপমান নকৰিবি।" তাৰ পিছত মহেন্দ্ৰ গুছি গ'ল। তেতিয়াহে সকলোৱে সেইটো ভুল বুলি অনুভৱ কৰিলে।

যদিও তিনিলাখ টকাৰহে প্ৰয়োজন আছিল তেওঁলোকৰ প্ৰায় দহলাখ টকা সংগ্ৰহ হোৱা বাবে 'শ্ৰীচান্দ ৱেলফেয়াৰ ফাণ্ড' খুলি বাকী টকাখিনি জমা কৰি ৰাখিলে।

গুৰু আৰু গুৰুভক্তিৰ কাহিনী ইমানতে শেষ হোৱা নাই। আজি দুবছৰমানৰ আগতে শ্ৰীচান্দৰ পুনৰ অসুখ হোৱাত পত্নীয়ে হস্পিটেলত ভৰ্তি কৰাৰ খোজাত তেওঁ অমান্তি হ'ল। যুক্তি দিলে যে সেই টকাখিনি হস্পিটেলত খৰছ হ'লে ছোৱালীজনীৰ বিয়া আৰু পত্নীৰ বাবে একো বাকী নাথাকিব। খবৰ পাই প্ৰাক্তন ছাত্ৰসকলে তেখেতক জোৰ কৰি ভৰ্তি কৰালে। কিন্তু এইবাৰ তেখেত নাবাচিল। পত্নীয়ে দুখ কৰিলে যে নিজৰ কাৰণে কেতিয়াও একো নিবিচৰা মানুহজনে ছোৱালীৰ বিয়াখন ডাঙৰকৈ পাতিবলৈ ইচ্ছা কৰিছিল – কিন্তু সেইটো কপালত নাছিল। তেতিয়া তেওঁলোকে গুৰুপত্নীক আশ্বাস দি ক'লে, "আপুনি চিন্তা নকৰিব। মেইষ্ট্ৰ' জীয়াই থকাহলে তাইৰ বিয়া যিমান ভালদৰে পাতিলেহেতেন আমিও সিমান ভালদৰেই পাতিম।"

শ্ৰীচান্দৰ মৃত্যুৰ পিছত তেওঁলোকে পুনৰ টকা তুলিলে। এইবাৰ ই-মেইল, মোবাইল আদিৰ বাবে পৃথিবীৰ বিভিন্ন প্ৰান্তত থকা প্ৰাক্তন ছাত্ৰসকলৰ লগত যোগাযোগ সহজেই হ'ল। এইবাৰ সংগ্ৰহ হোৱা আৰু আগৰ টকা সকলো ধৰি ফাণ্ডত প্ৰায় ত্ৰিছ লাখ টকা জমা হ'ল। তাৰে আঁঠলাখ টকা যোৱাবছৰ ছোৱালীজনীৰ বিয়াত খৰছ কৰি বাকীখিনি টকাৰ সুদৰ পৰা গুৰুপত্নীয়ে মাহে কুৰিহাজাৰকৈ টকা পোৱাৰ ব্যৱস্থা কৰি দিলে। বৰ্তমান মূলধন কোনেও চুব নোৱাৰিব। তেখেতৰ পিছতহে ছোৱালীজনীয়ে সেই টকাখিনি পাব।

আজিৰ যুগতো যে এনে নিৰ্লোভী, আদৰ্শবাদী গুৰু থাকিব পাৰে আৰু গুৰুৰ সেই মানৱতাবাদ, সেই আদৰ্শ আৰু সেই মৰমৰ মূল্য বুজি পোৱা শিষ্য থাকিব পাৰে সেই কথা অবিশ্বাস্য যেন লাগিলেও একেবাৰে সঁচা।

মহেন্দ্ৰই মাণ্ডিয়াৰ উপভাষাত কেনেদৰে কথাখিনি কৈছিল সেইকথা বাবুৱে মোক কওতে মই আবেগত অভিভূত হৈ পৰিছিলো। ১৯৯৩ চনৰ পঞ্চাছ হাজাৰ টকা আজিৰ হিচাবত কিমান হ'ব নাজানো। সেই কথাটো মনত পৰিলেই মোৰ সম্পূৰ্ণ অনিচ্ছাসত্ত্বেও ১৯৯১ চনত মোৰ সৰু ভাই বুলবুল (ধুৰ্জটিনাথ শৰ্মা) এ কোৱা কথা এটা মনত পৰি যায়। যোৰহাট চৰকাৰী বালক বিদ্যালয়ৰ শতবাৰ্ষিকী উপলক্ষে সি প্ৰাক্তন ছাত্ৰসকলৰ পৰা বৰঙনি তুলিছিল। তেতিয়া এজন ভাল চাকৰী কৰা প্ৰাক্তন ছাত্ৰই 'কাইলৈ আহিবা', 'পৰহিলৈ আহিবা' ইত্যাদি কৈ চাৰিবাৰ মান অহাযোৱা কৰাই অৱশেষত দহ টকা এটা দিছিলে।

শ্ৰীচান্দৰ বিষয়ে আৰু বহুত কথা আছে যদিও স্থানাভাৱত লিখিব পৰা নহব।